# ঃ এক বাজি গ'ল ঃ

ভল্‌াদিমিৰ মায়াকোভ্‌স্কি

এক বাজি গ'ল। তুমি নিশ্চয় এতিয়া গভীৰ টোপনিত।
ৰাতিৰ আকাশত ৰূপালী নিজৰাৰ দৰে হাতীপটি নাচে।
চৌদিশে নিস্তব্ধ যেন। বিজুলীৰ আঘাতৰ দৰে তাঁৰ বতৰাবে
নজগাওঁ এতিয়া তোমাক
সুখৰ সপোন ভাঙি আমনি দিবলৈ'।
সিহঁতে কোৱাৰ দৰে সিমানতে গল্পটোৰ সামৰণি।
জীৱনৰ কঠিন শৈলৰাশিত ঠেকা খাই খাই
চূৰমাৰ হ'ল প্ৰেমৰ নাওখনি।
আমি মুক্ত এতিয়া আৰু আমাৰ বাবে প্ৰয়োজন নাই
পাৰস্পৰিক আঘাত, অপমান আৰু দুখৰ তালিকাৰ।
আৰু মই চাওঁ পৃথিৱী কিদৰে শুই আছে পৰম শান্তিত
আকাশে সঞ্চিত উঁড়ালৰ পৰা নিশাক দিছে এলানি উদ্ধত তৰা।
এনেবোৰ সময়ত
এজন সাৰে থাকি অভিনন্দন জনায়
সমস্ত সময়, ইতিহাস আৰু চৰাচৰ বিশ্ব জগতক।

* এই কবিতাটি ১৯৩০ চনত মায়াকোভ্‌স্কিয়ে আত্মহত্যা কৰাৰ পিছত তেওঁৰ জেপত পোৱা গৈছিল। সম্ভৱতঃ এইটোৱেই আছিল তেওঁৰ শেষ লেখা।

---

কবিতা কেইটি অনুবাদ কৰোঁতে আৰু কবিসকলৰ চমু পৰিচয় যুগুতাওঁতে Alan Bold সম্পাদিত "The Penguin Book of Socialist Verse" শীৰ্ষক কাব্য সংকলনখনিৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰা হৈছে। ঃ অনুবাদক।

# গল্প

## — ভদীয়া বাপু, ধনপতি মহাজন আৰু শিয়ালবোৰ —

শ্ৰীনৰমোহন ৰায় সৰকাৰ
প্ৰথম বাৰ্ষিক, স্নাতক মহলা

এজাক, দুজাক, বহুজাক শিয়াল !

পিটনি পথাৰখনত জাকজাক শিয়ালৰ অবাধ ৰাজত্ব। এই শিয়ালবোৰৰ চিঞৰ-বাখৰ, খেক্‌-খেকনিত পিটনি পথাৰখন ডুব যায়। সিহঁতৰ চিঞৰ-বাখৰ আকাশে-বতাহে ধ্বনিত প্ৰতিধ্বনিত হয়। এই পিটনি পথাৰখন সিহঁতৰ বাপতি সাহোন। বংশানুক্ৰমে সিহঁতে এইখন পথাৰত চিঞৰি আহিছে।

পানীপোতা গাঁওৰ ৰাইজে এইজাক শিয়াল হাড়ে-হিমজুৱে চিনি পায়। সিহঁতৰ টেঁটুফলা চিঞৰ, সিহঁতৰ খেক্‌খেকনি গাঁওৰ ৰাইজে কাণ-পাতি শুনে। তথাপিও যুগ-যুগ ধৰি ৰাইজৰ মনত এটা বিশ্বাসে চলি আহিছে—শিয়ালজাকে গাঁওৰ ৰাইজৰ মাজত গাঁওখনৰ মঙ্গলৰ বতৰা দিয়ে। শিয়ালজাকৰ অৱস্থিতিয়ে গাঁওত সুখ-শান্তিৰ জীয়া ঢঙ্গ নমায়।

শিয়ালবোৰে কিন্তু ৰাতিৰ আন্ধাৰৰ সুযোগ লৈ সঘনে গাঁওৰ মাজলৈ জাক পাতি সোমাই আহে। অ'ত ত'ত জোপ লৈ থাকি সুযোগ বুজি গাঁওৰ পৰা হাঁহ, ছাগলী ধৰি লৈ যায়, কল-কুঁহিয়াৰ তহিলং কৰে। ভদীয়া বাপুহঁতে পিচে ভাবে যে শিয়াল দেৱতালৈ গাঁওৰ ৰাইজৰ ভকতিৰ হীন-দেড়ি ঘটিলেহে শিয়ালবোৰ গাঁওলৈ সোমাই আহে।

গাঁওত প্ৰতিবছৰেই কাতি বিহুৰ পিচদিনা শিয়াল দেৱতাৰ পূজা পতা হয়। এবাৰ শিয়াল পূজাৰ প্ৰায় আগে আগে গাঁওৰে মহেন, বাপধন, দিবাকৰ আদি এদল ডেকাই গাঁওলৈ সোমাই অহা শিয়ালজাক খেদি দিব লাগে বুলি বাপুৰ ওচৰ চাপিল। গওঁৱা ৰাইজৰ সঁহাৰি পালে সিহঁতেই ইয়াত আগভাগ ল'ব বুলিও ক'লে। পিচে বাপুহঁতৰ তেনে কৰিবলৈ সাহেপিতে নুকুলায়। তেনে কথা মনলৈ আনিলেই পেটত হাত-ভৰি লুকায়। বাপুৱে ডেকাহঁতক শিয়াল দেৱতাৰ বিপক্ষে একো নক'বলৈ সেইদিনাই সকীয়াই দিলে : 'তহঁতে এনেদৰে শিয়ালদেৱতাক অসন্তুষ্ট নকৰিবিহঁক। শিয়ালদেৱতা অসন্তুষ্ট হ'ব লাগিলে সমস্ত গাঁওৰে অনিষ্ট হ'ব ; তহঁতৰো মৰণ। নেপায়, এনে কথা কাহানিও মুখত নানিবিহঁক। শিয়ালদেৱতাৰ ক্ৰোধ আঁতৰিলেই নিজে নিজেই স্ব স্থানলৈ প্ৰত্যাৱৰ্তন কৰিব। যা, তহঁত এতিয়া গুচি যা।'

গাঁওৰ মাজতে বৰ নামঘৰটো ॥

প্ৰত্যেক বছৰেই ইয়াত পানীপোতা গাঁওৰ ৰাইজে শিয়াল পূজা পাতে। বাপুহঁতৰ বিশ্বাস, প্ৰত্যেক বছৰে এই পূজাখন নাপাতিলে শিয়াল দেৱতাই সিহঁতৰ নেলু ছিগি তেজ পিব; গাঁওত মহামাৰী লাগি গাঁওখন উছন হ'ব। শিয়াল পূজাৰ আগদিনাখন গাঁওৰ ৰাইজে ভদীয়া বাপুক নামঘৰলৈ মাতি লৈ যায়। সেইদিনা গঞা ৰাইজে বাপুৰ পৰা শিয়াল পূজাৰ দিহা-পৰামৰ্শ লয়। বাপুৱে 'তেৰাই যেন দায়-দোষ মৰিষণ কৰে' বুলি শিয়াল দেৱতালৈ এটা দীঘলীয়া সেৱা জনাই গঞা ৰাইজৰ আগত শিয়াল পূজাৰ নীতি-নিয়ম বোৰ কৈ যায়।

পিছদিনা পুৱে ধলফাট দিয়াৰ আগতেই গাঁওৰ ৰাইজে নামঘৰ পায়হি। বাপুৰ দিহা-পৰামৰ্শ অনুযায়ী ৰাইজে শিয়াল পূজাৰ কাম আৰম্ভ কৰে। বেলিৰ বেঙণি আহি গছে-পাতে পৰাৰ আগে আগে গাঁওৰ জীয়াৰী-বোৱাৰীহঁতেও নৈবেদ্য, ভোগ, মাহ-চাউল আদি লৈ নামঘৰলৈ আহে। শিয়াল পূজাৰ বাবে গাঁওৰ প্ৰত্যেকঘৰ মানুহেই মালভোগ, বৰতমনি, চেনিচম্পা, লতা-মনোহৰ কেঁচা-মনোহৰ, বগী-মনোহৰ, কোতেকী-সোন্দা, শিমলু মনোহৰ আদি বিধে বিধে কল আৰু সাধ্যানুসাৰে ঘৰ ওপজা ক'লা ছাগলী, আমৰলীয়া হাঁহ, ইটাগুৰীয়া পাৰ ভক্তিভাৱে আগবঢ়ায়। মুঠতে মথুৰা পাগ মাৰি সবাতোকৈ ডাঙৰ উপাচাৰ আনে ধনপতি মহাজনে। স্ত্ৰী-পুত্ৰ-কন্যা সমন্বিতে সাজি-কাচি ওলাই অহা মহাজন পৰিয়ালৰ দেৱভক্তিৰ সেই দৃশ্য চাবলগীয়া।

সেইদিনা ৰাতিপুৱাৰে পৰা নামঘৰত উলহ-মালহ, উখল-মাখল, উদুলি-মুদুলি। বেলি ভাটি দিয়াৰ সময়ত পূজা ভাগে। পূজা ভগাৰ লগে লগে বাপুক আগত লৈ নামঘৰৰ পৰা সদৌৱে বৰকাঁহ, বৰডবা, শংখ, ভোৰতাল বজাই কল, হাঁহ, পাৰ, ছাগলী আদি উপাচাৰ সমূহ কঢ়িয়াই আনি পিটনি পথাৰৰ মাজৰ বিশাল হাবিয়নিখনত শিয়াল দেৱতালৈ বুলি থৈ যায়হি। পূজা খোৱা শিয়ালজাকে তেতিয়া ৰাউচি জুৰি হোৱা দিয়ে, আনন্দত আত্মহাৰা হৈ ইফালে-সিফালে দৌৰে। নামঘৰত পূজা কাৰ্য সম্পাদন কৰোঁতে সজ্জনলৈ দক্ষিণা আগবঢ়োৱাৰ নামত নিজৰ বাবে মাহ-চাউল, পা-পইচাৰ ভাগ কিমান ৰাখিব পাৰিলে তাৰ হিচাপ-নিকাচ কৰোঁতে সেইদিনা ৰাতি বাপুৰ ভাল টোপনিয়ে নহয়।

* * * *

মহেনহঁতক সেইদিনা বাপুই তেনেকৈ বুজাই-বঢ়াই পঠিয়াই দিছিল যদিও সিহঁত তিলমাত্ৰও পতিয়ন যোৱা নাছিল। মাথোঁ বৈ আছিল সুযোগৰ অপেক্ষাত। সেয়ে সেইবাৰ বছৰেকীয়া শিয়াল পূজাখনৰ আগদিনা সিহঁত ডেকামখাই নামঘৰত বহা পূজ কমিটিৰ মেলত শিয়াল পূজা খন গাঁওৰ ৰাইজৰ এটা মূৰ্খামি আৰু অপকৰ্ম বুলি আখ্যা দি পূজাখনত কোনো ধৰণে সহযোগ নকৰোঁ বুলি স্পষ্টকৈ জনাই দিলে। মহেনহঁতৰ এই সৰ্বনাশী সিদ্ধান্তৰ কথা শুনি বাপুৰ মূৰত যেন বিনা মেঘে বজ্ৰপাত পৰিল। বাপুই ততালিকে—'ডেকাহঁতক সুমতি দিয়া প্ৰভু' বুলি নাম ঘৰৰ দুৱাৰমুখত দীঘল দি পৰিল। মুখেৰে মন্ত্ৰ

মৰাৰ দৰে কিবাকিবি ভোৰভোৰাই বাপু আকৌ থিয় হ'ল। মহেনহঁতক একাষৰীয়াকৈ মাতি নি বাপুৱে বুজালে—'শিয়াল দেৱতাৰ শকতিৰ কথা তহঁতে জানো নেজান ? জানি শুনিও তহঁতে এনেকুৱা ভুল কৰ কিয় ? এবাৰ এইখন পূজা নকৰিলোঁ, বুজিছ। তহঁতে ভবাৰ দৰে শিয়াল-বোৰেনো কি কৰিব এনে এটা ভাবত ফষ্টিমাৰি থাকিলোঁ। পিছে কি হ'ল জান ? গাঁওত সেইবাৰ মহামাৰী লাগিল। শ শ মানুহ মৰিল। বেজ-কবিৰাজৰ দৰব পানী হ'ল।'

মহেনহঁতে বাপুৰ বুজনি তথা কথালৈ কাণ নিদিলে। বাপু আৰু মহেনহঁতৰ মাজত কথা কটাকটি চলিল। শেষত মহেনহঁতে শিয়াল পূজাখন বন্ধ নকৰিলে গাঁওখনৰ লগতে বাপুৱে নানা ধৰণে অনিষ্ট সাধন কৰিব বুলি ভাতি প্ৰদৰ্শনো কৰিলে। পিছে ডেকাহঁতৰ এনে তৰল ভীতি প্ৰদৰ্শনত তৎক্ষণাত দমি যোৱা লোক ভদীয়াবাপু নহয়। ভীতি প্ৰদৰ্শনৰ সামান্য প্ৰতি-ক্ৰিয়াও বাপুৰ থ্লন্তৰ চৰ্বিযুক্ত দেহত দেখা নগ'ল। উপায়ান্তৰ হৈ মহেনে থিয় হৈ ৰাইজলৈ হাতযোৰ কৰি আৰম্ভ কৰিলে : "ৰাইজ, আপোনা-লোকে চাওক, এই আপদীয়া শিয়ালজাকে আমাৰ একো উপকাৰ কৰা নাই। বৰং ভীষণ অপকাৰ হে কৰিছে। সিহঁতে এহাতে আমাৰ ফল-মূল, পোহনীয়া জীৱ-জন্তুবোৰ উছন কৰে। আনহাতে সিহঁতৰ বাসস্থান এই পিটনি পথাৰখনৰ জঙ্গল হাবিয়নি ডৰা চোৰ, ডকাইত আৰু চোৰাং বেপাৰীৰ আশ্ৰয় স্থল হৈ পৰিছে। শিয়াল দেৱতাৰ পবিত্ৰ ৰাজ্য বুলি এই ঠাইডোখৰ আচুতীয়াকৈ ৰখাৰ উদ্দেশ্য সকলোৰে নহ'লেও সমাজৰ বৰমূৰীয়া দুই-চাৰিজনৰ আছে বুলি আমাৰ সন্দেহ হয়। তেওঁলোকৰ হাতৰ মুঠিত থকা সমাজ বিৰোধী লোকে চুৰি, ডকাইতি, হত্যা, চোৰাং কাৰবাৰ আদিৰ নিচিনা দুষ্কাৰ্য সংঘটন কৰি তাত আশ্ৰয় লয় আৰু তাৰ গাতে লাগি থকা শাখিনী নৈৰে পলাই যাবে। ৰাইজ, আপোনালোকৰ নিশ্চয় মনত আছে যোৱাবেলি শিয়াল দেৱতাৰ পূজাৰ দুদিন আগতে গাঁওৰে কেও বিছু নোহোৱা বিধবা গাভৰু ৰমিলাক কোনোবাই বেইজ্জতি কৰি হত্যা কৰি এই হাবিৰ মাজতে পেলাই থৈ গ'ল। আপোনালোকৰ বহুতেই হয়তো ধৰি ল'লে কিবা কাৰণত ৰমিলাৰ ওপৰত ৰুষ্ট হোৱা শিয়াল দেৱতাৰে এই কাৰ্য বুলি। সেয়ে ৰমিলা হত্যাৰ আঁত নিবিচাৰি ৰমিলাৰ শ তত্তাতৈয়াকৈ সৎকাৰ কৰি শিয়াল দেৱতাক তুষ্ট কৰাৰ মানসেৰে ধুম্-ধামকৈ শিয়াল পূজা পতাত লাগি গ'ল। ৰমিলা হত্যাৰ কথা তেনেকৈ তল পৰিল। ৰাইজ, আপোনালোকে এনেবোৰ কথা তেনেদৰে বিশ্বাস কৰিলেও আমাৰ ধাৰণা বেলেগ। আমি এতিয়ালৈ ধৰা পেলাব নোৱাৰিলেও বুজি পাইছোঁ যে এই সকলোবোৰৰ গুৰিতে আছে মানুহৰ মুখা পিন্ধা কিছুমান পিশাচ, চয়তান আৰু সিহঁতৰ এই চয়তানি পৈশাচিকতা চৰিতাৰ্থ কৰাত সহায় কৰিছে. পিটনি পথাৰৰ শিয়াল বাসকৰা এই হাবিয়নি ডৰাই। সেয়ে ৰাইজ, আমি এই শিয়ালবোৰ আৰু হাবিয়নি ডৰা যেনেতেনে নিৰ্মূল কৰিব লাগিব।"

মেলৰ মাজত প্ৰথমে মৃদু আৰু ক্ৰমে উচ্চস্বৰৰ

গুণ-গুণনি উঠিল। বাপুৰ বুকুখন চিৰিংকৈ গ'ল। 'মহাপ্ৰভু শিয়ালদেৱতা, পাপীৰ দোষ মৰিষণ কৰা' বুলি বাপুৱে শিয়াল দেৱতালৈ সেৱা এটা যাচি ধপহকৈ উঠি পৰিল। লগে লগে ধনপতি মহাজনো উঠিল। মুখখন বিকৃত কৰি মহাজনে প্ৰায় সকলোৱে শুনাকৈ কৈ গ'ল - 'হায় মহাপ্ৰভু, শিয়ালদেৱতা, সমাজ বিধৰমী হ'ল। সমাজ ৰসাতলে গ'ল' আৰু এটা বাক্যও ব্যয় নকৰি মহেনহঁতৰফালে এবাৰ তীক্ষ্ণ চাৱনি নিক্ষেপ কৰি বাপুৰ প্ৰায় পিচে পিচেই ধনপতি মহাজনো মেলৰ বাহিৰ ওলাই আহিল। মহেনে তেওঁলোকে মেল এৰি যোৱালৈ লক্ষ্য কৰি ৰাইজৰ উদ্দেশ্যে পুনৰ কৈ গ'ল: 'ৰাইজ, কোনোবাই মেল এৰি গ'ল বুলি আমি হতাশ নহওঁ। ভয়ো নকৰোঁ। আপোনালোকে নাভাবিব, এইজাক শিয়াল অসন্তুষ্ট হ'লে গাঁওত মহামাৰীয়ে দেখা দিব। ই সম্পূৰ্ণ মিছা কথা। ইহঁতক খেদি পঠিয়ালে আমাৰ গাঁওত আৰু কোনো অমঙ্গল নহয়। বৰং এই শিয়ালজাক থাকিলেহে ”

'এৰা অ' মহিৰাম. মহেনবোপাই ঠিক কথাই কৈছে দে। কিবা বোলে নে. আমিহে ইমানদিনে ভুল ভাবি আছিলোঁ।' ওচৰতে বহা মহিৰামক গাঁওৰ বৃদ্ধলোক গোপী বায়নে সৰু সৰুকৈ ক'লে।

'হয়তে কথাটো মিছা নহয়। মহেনৰ কথাখিনি মোৰো মনত লাগিছে দেও।' মহিৰামে উত্তৰ দিলে।

অৱশেষত ৰাইজৰ মাজত থিয় দি ৰামেশ্বৰ পণ্ডিতে ডাঙৰকৈ ক'লে—'হয়, হয়, শিয়ালবোৰ খেদিবই লাগিব; কিবা বোলেনে, সোনকালে ইহঁতক পথাৰখনৰপৰা খেদি, পঠিয়ালেহে গাঁওখনৰ মঙ্গল হ'ব। আমি ইমান দিনে ....' গঞাৰাইজে হাততালি দি ৰামেশ্বৰ পণ্ডিতক সমৰ্থন কৰাত পণ্ডিতে কথাখিনি শেষ নকৰাকৈয়ে বহিল।

ৰাইজৰ সমৰ্থন সূচক প্ৰতিক্ৰিয়া দেখি মহেনে এইবাৰ উৎসাহেৰে ক'লে 'ৰাইজ, তেন্তে আমি কালিয়েই যাঠি-জোং লৈ আটাইবোৰ শিয়াল পিটনি পথাৰৰপৰা আঁতৰাই পঠিয়াম। আপোনালোকে ৰাতিপুৱাই নামঘৰত গোট খাবহি।'

সেইমতে পিচদিনা ৰাতিপুৱাই পানীপোতা গাঁওৰ সমূহ ৰাইজে কপিদা, মেচিদা, যাঠি-জোং লৈ ওলাই আহিল। বাপু, ধনপতি মহাজন ৰাইজৰ লগত শিয়াল খেদিবলৈ নাহিল। মহেন, বাপধন, দিবাকৰ ৰাইজৰ আগে আগে গৈ পিটনি পথাৰৰ সাতম-পুৰুষীয়া প্ৰকাণ্ড প্ৰকাণ্ড গছ আৰু তাৰ মাজে মাজে গজি উঠা বিহলঙনী, ফুটুকা, কচুৰে ভৰা হাবিয়নি ডৰাৰ আটাইবোৰ শিয়াল এমুৰৰপৰা শাখিনী নৈৰ ফালে খেদি লৈ গ'ল। কিছুমান শিয়াল ভয়াৰ্ত আৰ্তনাদ কৰি দৌৰি গৈ শাখিনী নৈত কৰ্ফাল খাই পৰিল। বাকীবোৰ মহেনহঁতৰ যাঠি-জোঙৰ হান খোচত মৰিল। জাক জাক শিয়ালৰ চিঞৰ-বাখৰত ৰজনজনাই পিটনি পথাৰলৈ নামি আহিল শ্মশানৰ নীৰৱতা।

জাক জাক শিয়ালে বাৰীৰ কল-কুঁহিয়াৰ, বাহৰ হাঁহ-পাৰ, ছাগলী খোৱাৰ ভয়ত নিদ্ৰাহীন-ভাৱে নিশা পাৰ কৰি দিয়া গাঁওৰ ৰাইজে সেইদিনা নিশা যেতিয়া স্বস্তিৰ নিশ্বাস পেলাই নিশ্চিন্তে শুই পৰিছিল, তেতিয়া বাপু আৰু ধনপতি মহাজন উভয়ৰে কাণত বাজি আছিল মহেনহঁতৰ সবল আৰু দক্ষ আক্ৰমণত ঠাইতে প্ৰাণ দিয়া অথবা থৰকাছুটি হেৰুৱাই দৌৰি গৈ শাখিনী নৈত জাপ দি প্ৰাণ ত্যাগ কৰা শিয়ালজাকৰ ভয়াৰ্ত আৰ্তনাদ। সেই আৰ্তনাদে নিজ গৃহৰ সুৰক্ষিত কোঠাৰ ভিতৰতো দুয়োৰে দেহত কঁপনি তুলিছিল।*

---

* মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।

# — অচিন বাট —

শ্ৰীকমল পাঠক
২য় বাৰ্ষিক, স্নাতক মহলা

স্থানীয় হস্পিটেল কর্তৃপক্ষৰ তেনে কোনো বিশেষ ব্যৱস্থা নথকা হেতুকে দূৰ সম্পৰ্কীয় এজনৰ অনুগ্ৰহত মেডিকেল কলেজ হস্পিটেলৰ পৰা এম্বুলেঞ্চ এখন কোনোমতে পোৱা গ'ল। ইতিমধ্যে সকলো ব্যৱস্থা আগতে কৰি ৰখা হৈছিল। সকলোৱে কেৱল গাড়ীখন অহালৈকে অপেক্ষা কৰি বৈ আছিল।

গাড়ীখন আহি নিৰ্দ্দিষ্ট স্থানত ৰখোৱাৰ লগে লগেই আকৌ মানুহজনীয়ে হুকহুকাই কান্দি উঠিছিল। কণমানীটোক বুকুলৈ চপাই আনি হিয়া উজাৰি উজাৰি বিনাবলৈ ধৰিলে; লগত থকা তিৰোতাজনীয়ে বহুত কিবাকিবি বুজাবলৈ চেষ্টা কৰিছে; এজনীয়ে ফ্লাস্ক এটাৰ পৰা পানী লৈ অলপ অলপকৈ মানুহজনীৰ মুখটো তিয়াই দিছে; কিন্তু একোতেই তেওঁ শান্ত হোৱা নাই। মনে যেন বুজনি নামানে। একোবাৰ প্ৰকৃতিস্থ হৈ নিষ্পলকভাৱে ক'ৰবালৈ চাই ৰয় আৰু হঠাৎ কিবা এটা মনত পৰি গোটেই মানুহজনী কঁপি কঁপি উঠে। লগৰ মানুহ দুজনীৰো চকুপানী বৈ আহিছে; মুখবিখন ফাকু যেন ৰঙা হৈ পৰিছে আৰু মাজে মাজে বহি থকা অৱস্থাতে নাকৰ পানী মচিছে।

এনেতে মেট্ৰন ৰুমৰ পৰা বয়সীয়া মেট্ৰনজনী আহি আগৰ কেবাৰতকৈ অলপ কঠোৰ ভাবেই ক'লে যে ডেড্‌বডি সোনকালে উলিয়াই নি ৰুম খালী কৰি দিব লাগে। চাৰ্জ দিলেও ডেড্‌বডিৰ কাৰণে ইমান সময় বেড্ এঙ্গেজড্ কৰি ৰখা নহয়। ৰাতিপুৱা ন-বজাতে ৰোগী মৰিল আৰু এতিয়া আবেলি তিনি বাজি পাৰ হৈ গ'ল। হস্পিটেল কর্তৃপক্ষ সঁচাকৈয়ে অধৈৰ্য হৈ উঠিছে।

সি যি কি নহওক অৱশেষত মৃতদেহ উলিয়াই নিয়াৰ ব্যৱস্থা কৰা হ'ল। আগতে শুই থকা বিচনাখনৰ পৰা সৰুকৈ ঠেলি নিব পৰা বিচনাখনলৈ মৃতদেহ স্থানান্তৰ কৰা হ'ল আৰু পোছাক-পৰিচ্ছেদো লগেলগে বদলাই নতুন কাপোৰ পিন্ধোৱা হ'ল। এনেতে দুয়োজনী তিৰোতাই দুয়ো বাহুত ধৰি মানুহজনীক খোলা দুৱাৰেদি বাৰান্দালৈ লৈ আহিল আৰু মৃতক থকা কোঠাত প্ৰৱেশ কৰিলে। স্বামীক শ্মশানলৈ নিবলৈ এৰি দিয়াৰ আগতে পত্নীয়ে শেষবাৰৰ কাৰণে স্বামীৰ মুখ দৰ্শন কৰিব খোজে; অন্তিম সেৱা এটি যাচিব খোজে। কোঠালি সোমাই মানুহজনীয়ে ৰোবা চাৱনিৰে মৃতকৰ মুখলৈ কিছুপৰ চাই ৰ'ল আৰু পিচত ধাচ্‌কৈ বহি পৰিল আৰু মৃতদেহটো দুহাতেৰে সাৱটি ধৰি বুকুত নিজৰ কপালখন খুন্দিয়াই খুন্দিয়াই কান্দিবলৈ ধৰিলে। মুখেৰে ভঙা ভঙা মাতেৰে কিবাকিবি কৈ স্বামীৰ কপালত হেঁপাহেৰে চুমা খালে আৰু

কাণৰ ওচৰলৈ মুখখন নি সৰুকৈ কিবা এটা ক'লে। হয়তো জীৱিত অৱস্থাত কোৱাৰ সুবিধা নোপোৱা কিবা নিতান্ত গোপনীয় কথা। তাৰপিছত মানুহ জনী ভৰি পথানলৈ আহি মজিয়াত আঁঠুকাঢ়ি বহি স্বামীৰ শেঁতাপৰা ভৰি দুখন নিজৰ গালত ঘঁহি ঘঁহি দুয়োখন ভৰি বুকুত জোৰেৰে সাৱটি ধৰিলে আৰু এটা সময়ত সোঁখন ভৰিৰ বুঢ়া আঙুলিৰে ইমানপৰে বিশৃংখল হৈ জ্বলি থকা কপালৰ ৰঙা ফোঁটটো নিমিষতে মচি দি দুহাতেৰে মুখখন ঢাকি কোঠাৰপৰা বেগেৰে বাহিৰলৈ ওলাই গ'ল।

হস্পিটেলৰ পৰ্টিক'ত তেতিয়া বহুত মানুহ গোট খাইছিল। কেবাজন একে বিভাগৰ অফিচৰ সহকৰ্মী, বন্ধু-বান্ধৱ আৰু দুই-চাৰিজন সম্পৰ্কীয় লোক। ৰ'দৰ খাওঁ খাওঁ মূৰ্ত্তিয়ে পৰিস্থিতিটো নিশ্চুপ কৰি তুলিছিল। সেই ৰ'দত কাউৰী কেইটামানে মানুহবোৰৰ ওপৰত ঘূৰি ঘূৰি উৰি ফুৰিছিল। কেইটামানে ওখ গছ কেইজোপাৰ ডালত পৰি দীঘল দীঘলকৈ ৰমলিয়াইছিল। হস্পিটেলৰ বাৰান্দাত বাহ লোৱা এহাল শালিকাই খিচ্-খিচাইছিল; আৰু নতুনকৈ খোজ কাঢ়িব শিকা এটা লোদোৰ-পোদোৰ এবছৰীয়া শিশুৱে খালী দিয়াচলাইৰ বাহ এটা মুখেৰে কামুৰি মানুহৰ মাজে মাজে ঘূৰি ফুৰিছিল। একোবাৰ অনভ্যস্ত ভৰি দুখনিয়ে বিশ্বাসঘাতকতা কৰাত শিশুটি হাত পাৰি পাৰি গৈছিল আৰু পিচ মুহূৰ্ততে থিয় হৈ সেই একে পদসঞ্চালনেৰে মুকুতা সদৃশ দাঁত দুটি উলিয়াই শিশুৰ সৰল হাঁহি মাৰি ইফালৰ পৰা সিফাললৈ অহাযোৱা কৰি আছিল।

মৃতকৰ এয়া দ্বিতীয় সন্তান। বংশৰ একমাত্ৰ চাকি। পিতৃ-পিতামহৰ মুখত পিণ্ড যঁাচিবলৈ পৃথিৱীত একমাত্ৰ অৱলম্বন। এই শিশুটিকে বুকুত বান্ধি মানুহজনীয়ে সম্পূৰ্ণ ডেৰ সপ্তাহ ৰুগীয়া স্বামীৰ লগত হস্পিটেলৰ বাৰান্দাত কটালে। আজি দহ দিনৰ আগতে এক অচিন ৰোগত আক্ৰান্ত স্বামীক লৈ তেওঁ এই হস্পিটেলত সোমাইছিল। অন্তৰত অযুত আশা লৈ দিনে-ৰাতিয়ে স্বামীৰ বিচনাৰ কাষত বৈ পৰিচৰ্যা কৰি স্বামীৰ লগত এই দিনকেইটা কটালে। বেমাৰ সামান্য বুলি প্ৰায় সকলোৱে কৈছিল। কোলাৰ কেঁচুৱাটো লৈ তেওঁ হস্পিটেলত থকাৰ কোনো আৱশ্যক নাই বুলিও বহুতে তেওঁক উপদেশ দিছিল। কিন্তু মনোৰমাৰ মনে সেই উপদেশ গ্ৰহণ কৰিব পৰা নাছিল। স্বামীৰ পৰিচৰ্যা নাৰ্চ আৰু ডাক্তৰৰ হাতত এৰি দি তেওঁ চল্লিশ মাইল দূৰৈত থকা ঘৰত শান্তিৰে থকাৰ কোনো যুক্তি বিচাৰি নাপালে। পাঁচবছৰীয়া মিনিক ঘৰতে ওচৰৰ বৰুৱা মাষ্টৰৰ ঘৈণীয়েকৰ তত্ত্বাৱধানত এৰি থৈ কোলাত এবছৰীয়া শিশুটো লৈ স্বামীৰ লগেলগে তায়ো হস্পিটেলত থাকি গ'ল। এই দহোটা দিনে তাইৰ খোৱাৰ কোনো ঠিক নাই; শোৱাৰ কোনো ঠিক নাই। কেৱল স্বামীৰ কাষত বহি বহল বহল চকু দুটা মেলি স্বামীৰ শৰীৰ তীক্ষ্ণ দৃষ্টিৰে পৰীক্ষা কৰিয়ে কটাই দিলে তাই। ঘণ্টাই ঘণ্টাই আকুল আগ্ৰহেৰে তাই তেওঁক সুধিছিল: 'কেনে পাইছা তুমি?' আৰু পিচমুহূৰ্ততে সান্ত্বনা দিছিল এই বুলি কৈ— 'আজি তোমাক যথেষ্ট সুস্থ দেখিছোঁ; ডাক্তৰে কৈছে আৰু মাথোঁ দুদিন। দুদিন পিচতে আমি ইয়াৰ পৰা গুচি যাব পাৰিম। তুমি অধৈৰ্য্য নহবা।'

তাইৰ এই পৰম আশাৰে দিয়া সান্ত্বনাখিনিত প্ৰণৱৰ মুখমণ্ডল সুস্থ মানুহৰ দৰে উজ্জ্বল হৈ উঠিছিল ; পুনৰ সুস্থ স্বাভাৱিক জীৱন যাপন কৰাৰ এক দুৰ্বাৰ আকাঙ্ক্ষাই তেওঁৰ অন্তৰ থৌকি বা থৌ থৌ লগাইছিল ।

বিয়াৰ ছটা বছৰৰ পিছত এই প্ৰথমবাৰৰ কাৰণে তাইৰ স্বামী অসুস্থ হৈ পৰিছিল । নতুন ঠাই । বদলি হৈ অহাৰ এটা মাহেই পূৰ হোৱা নাই । ওচৰৰ দুই এঘৰত বাদে সক চহৰখনৰ কাৰো লগত তেনেকৈ পৰিচয় ঘটি উঠা নাই । এনেতে মানুহজন অসুখত পৰিছিল । তথাপি খবৰ লওঁতা মানুহৰ অভাৱ নাছিল । উচ্চ চাকৰিয়াল হৈয়ো কোনো ভুৱা আভিজাত্য বা উচ্চ পদবীৰ ভেম কথা-বতৰাত বা আচাৰ-ব্যৱহাৰত প্ৰকাশ নোপোৱা স্বামী প্ৰণৱক আৰু লগতে তাইক প্ৰণৱে চাকৰি কৰা সকলো ঠাইৰ মানুহৰ দৰে ইয়াৰ মানুহেও যে আদৰি ল'ব সেই কথা মনোৰমাই জানিছিল । আচলতে প্ৰণৱৰ স্বভাৱে আছিল চৰকাৰী চাকৰিৰ চাৰি বেৰ পাৰ হৈ সমাজৰ এজন হৈ মিলিজুলি চলা বদলি হৈ আহিবৰ সময়ত সেয়ে প্ৰতিখন ঠাইতে প্ৰণৱক ৰাজহুৱাভাৱে বিদায় সম্ভাষণ জনোৱা হৈছিল । চাকৰি জীৱনত ইয়াতকৈ বেছি একো আশা কৰিব নোৱাৰি । কিন্তু এই সকলোবোৰৰ মূলতে আছিল প্ৰণৱৰ পত্নী মনোৰমা । প্ৰাণ-প্ৰাচুৰ্য আৰু কৰ্মোৎসাহেৰে ভৰা মনোৰমাৰ নিচিনা পত্নী নোপোৱাহেঁতেন প্ৰণৱৰ জীৱনলৈ হয়তো ইমান কম বয়সতে ইমানবোৰ সন্মান, প্ৰতিপত্তি, মান-যশ নাহিলহেঁতেন । এই কথা চিধাচিধিকৈ নহলেও পাকেপ্ৰকাৰে প্ৰণৱে মনোৰমাক জানিব দিছিল ।

সঁচা কথা কবলৈ গ'লে মনোৰমা আছিল এক ব্যতিক্ৰম । সৰুৰ পৰাই প্ৰচণ্ড জেদী । যিটো কৰিম বুলি ভাবিছে সেইটো কৰি এৰিবই । জন্মিছিল ডিব্ৰুগড় চহৰৰ বিখ্যাত বৰুৱা পৰিয়ালত । ডাঙৰ-দীঘল হৈ কলেজীয়া শিক্ষা সাং কৰাৰ পিছত মনোৰমাই লগ পালে ডি. এফ. ও প্ৰণৱ চলিহাক । প্ৰথম চিনাকিতে ভাল লাগি গ'ল তাইৰ প্ৰণৱক । মনে মনে থিৰ কৰিলে বিয়া যদি কৰায় তেনেহলে তাই প্ৰণৱকে কৰাব । প্ৰণৱো সন্মত । আৰু কোনো কথা নাই । ঘৰৰ প্ৰচণ্ড বাধা স্বত্তেও তাই গুচি আহিল প্ৰণৱৰ হাতত ধৰি । তাৰপিছত যোৱা ছয়টা বছৰে প্ৰণৱৰ কৰ্মস্থলবোৰত প্ৰণৱৰ গাৰ ছায়াটোৰদৰে ঘূৰি ঘূৰি আজি প্ৰায় এমাহৰ আগতে এই ঠাইখনলৈ বদলি হৈ আহিছে । বিয়াৰ এই আধা যুগৰ পিচতো তাইৰ প্ৰণৱক এক মুহূৰ্তৰ কাৰণেও আমনি লগা নাই । বৰং দিনে দিনে যেন মানুহটোৰ প্ৰতি তাইৰ মৰম আৰু মায়া বাঢ়িহে গৈছে । সেয়ে কেতিয়াবা মানুহজন ঘৰৰপৰা ওলাই গৈ যথাসময়ত ঘূৰি নাহিলে মানুহজনী অশান্তিত অস্থিৰ হৈ পৰে । উভতি নহালৈকে এবাৰ নওলা, এবাৰ ঘৰ কৰি সময় পাৰ কৰি দিয়ে । আৰু সেইজন মানুহ দহদিন আগতে ৰাতিপুৱা এঘণ্টাৰ বাবে বাহিৰলৈ ওলাই গৈ দিনৰ দিনটো ফিল্ডত কটাই গধূলি ঘূৰি আহি যেতিয়া তাইক গাটো ভাল লগা নাই বুলি কৈছিল তেতিয়া তাইৰ গাত জীউ নোহোৱা হৈছিল । মনোৰমাৰ মনৰ অৱস্থাটো বুজি প্ৰণৱে

নিজৰ অসুখৰ কথা পাতল কৰি দিব বিচাৰিছিল। কিন্তু ৰাতিলৈ অসুখ বাঢ়িছিল। মনোৰমাই চকুৰ পলক এটা নমৰাকৈ প্ৰণৱৰ কাষত বহি গোটেই ৰাতিটো কটাই দিছিল আৰু ৰাতিপুৱাই প্ৰণৱৰ হাক-বচন নুশুনি নগৰৰ এই প্ৰাইভেট হস্পিটেল খনত প্ৰণৱক ভৰ্ত্তি কৰাই দিছিল। আৰু বুকুত এবছৰীয়া শিশুটোকলৈ ওচৰতে বিচনাখন কৰি লৈছিল। মনোৰমাই হস্পিটেলৰ প্ৰত্যেকজন ডাক্তৰকে বেলেগে বেলেগে লগ ধৰি গিৰিয়েকৰ অসুখ সম্বন্ধে আলোচনা কৰিছিল। লগতে ইয়াকো জনাইছিল যে যদি গিৰিয়েকৰ সঁচাকৈয়ে কিবা টান অসুখ তেনেহলে তেওঁলোকে যেন তাইক সেইকথা খুলি কয়। যদি আৱশ্যক হয় তাৰপৰা তাই প্ৰণৱক আন ঠাইলৈকে নিয়াৰ ব্যৱস্থা কৰিব। মনোৰমাৰ কষ্ট হ'ব, বহুত কষ্ট। হওক। টকা যাব যাওক। মনোৰমা অকলে অকলে অস্থিৰ হৈ পৰিব লাগিব, লাগক। প্ৰণৱতকৈ পৃথিৱীত তাইৰ আপোন আৰু কোনো নাই। পৃথিৱীত প্ৰণৱ অকলশৰীয়া। তাইৰ কিন্তু সকলো আছে— মাক, দেউতাক, চাৰিজন উচ্চ পদস্থ ককায়েক, দুজনী বায়েক আৰু বহুবোৰ আপোন মানুহেৰে ভৰা সংসাৰ এখন। তথাপি তায়ো অকলশৰীয়া। প্ৰণৱৰ বাদে পৃথিৱীৰ অইন কোনো মানুহৰ লগতে তাইৰ আত্মাৰ পৰিচয় ঘটা নাই। প্ৰণৱে তাইক যিমানখিনি ভাল পায় পৃথিৱীৰ আন কোনোৱে তাইক সিমান ভাল নাপায়। সেয়ে সেইজন প্ৰণৱৰ কাৰণে বহুত কষ্ট যদি তাই নকৰে, বহুত দুখ যদি তায়েই সহ্য নকৰে, কৰিব কোনে? কাৰ কাৰণে তাইৰ এই সংসাৰ, এই জীৱন?

মনোৰমাই বুকুত বল বান্ধিলে। প্ৰণৱক সুস্থ কৰি তুলিবই লাগিব তাই। তেওঁক সুস্থ কৰি তোলাত বাদে, তেওঁক নিৰোগী কৰি ওভোতাই অনাত বাদে তাইৰ পৃথিৱীত এতিয়া আৰু কোনো ডাঙৰ কাম নাই। তাই ভাবিলে, প্ৰণৱৰ অসুখৰ কথা তাই নিজৰ ঘৰৰ কাকোৱে নজনায়। কি লাভ সেইবোৰক জনাই। অৱশ্যে খবৰ পালে এই বিপদত হয়তো তাইৰ মাকজনী আহিব। লগত হয়তো সৰুজন ককায়েক আৰু কোনোবা। কিয় মাতি পঠিয়াব তাই? অৱশ্যে মাক অহা হ'লে মিনিজনীক মাকৰ লগত এৰি থৈ আহিব পৰা গ'লহেঁতেন। কিন্তু এতিয়াওতো তাই মিনিক বেয়াকৈ থৈ অহা নাই? ওচৰবে বৰুৱা মাষ্টৰৰ সাদৰী ঘৈণীয়েকজনীৰ তত্ত্বাৱধানতে ৰাখি থৈ আহিছে তাইক। তদুপৰি ঘৰখনত এটা কাম কৰা ল'ৰা আছে, এজনী বুঢ়ী ধাই আছে, খোৱা-বোৱা আৰু অইন একোতেই তাই কষ্ট নেপায়। এইবোৰ জানো পৰ মানুহ? আৰু যাক আপোন বুলি অত দিনে ভাবি আহিছিল, যাক জনমৰপৰা অকৃত্ৰিম শুভ কাঙ্খী বুলি বিবেচনা কৰি আহিছিল, সেইবোৰ আপোন মানুহেই বা তাইক বুজিবলৈ কিমান চেষ্টা কৰিলে? সিহঁতৰ গছত লগা আভিজাত্যটো বজাই ৰাখিবলৈ উচ্চ বংশৰ ধনীৰ সন্তান সদানন্দক বিয়া নকৰি নীচ বংশৰ অথচ উচ্চ আদৰ্শেৰে ডাঙৰ দীঘল হোৱা বহল মনৰ প্ৰণৱক বিয়া কৰোৱাৰ অপৰাধতে গোটেই ঘৰখনেই তাইৰ বিপক্ষে অগনি জ্বলাবদৰে জ্বলি উঠিল। আৰু যিকুৰা জুই এবাৰ জ্বলি উঠিল সি আৰু নুমুমাল। সিহঁত কোনোৱে মৰমৰ সৰুজনী

জীয়েক বুলি; ভনীয়েক বুলি এই সামান্য দোষ-টোকে ক্ষমা কৰি আজিলৈ তাইক আঁকোৱালি নল'লে। বিয়াৰ পিছত সুদীৰ্ঘ ছটা বছৰ পাৰ হৈ যোৱাতো কোনোৱে খবৰ এটা নল'লে। এটা এটাকৈ ছুটা দেৱ শিশুৰ ককাদেউতা, আইতা, মামা, দাদা হোৱাৰ পিচতো কোনোৱে এবাৰলৈকে অন্ততঃ পোনাছুটিক আশীৰ্বাদ এটা দি নগ'লহি। আৰু আজি মনোৰমা ছুখত পৰিছে। মনোৰমাৰ আজি একমাত্ৰ সম্বল, জীৱন-সৰ্বস্ব প্ৰণৱ অসুস্থ হৈ পৰি আছে। মনোৰমাই আজি কিয় সেই খন ঘৰৰ সহায় প্ৰাৰ্থনা কৰি পঠিয়াব ? কেলেই সিহঁতৰ হাঁহিয়াতৰ পাত্ৰ হ'বলৈ যাব ? তাই বাচি থাকোঁতে, তাইৰ গাত জীৱন চৈতন্যৰ এটা মাত্ৰ স্পন্দন থকালৈকে প্ৰণৱক আনৰ হাতভ তাই এৰি নিদিয়ে। এটা মুহূৰ্ত্তৰ কাৰণে, এটা পলকৰ কাৰণেও নিজক লোকৰ সহানুভূতিৰ পাত্ৰ হ'বলৈ নিদিয়ে মনোৰমাই। ইয়াৰ কাৰণে লোকে তাইক জেদী, গৰ্বী বুলিব, বোলক। ইতিমধ্যে লোকে তাইক বুলিবলৈ ৰাকী এৰা নাই। সম্ভ্ৰান্ত বৰুৱা পৰিয়ালৰ সন্মান তাই বহুদিন আগতেই মাটিৰ লগত মিহলাই দিছে আৰু তাৰ লগে লগে বুটলি লৈছে কিছুমান গ্লানিভৰা নিন্দা আৰু জীয়া অভিশাপ। কিন্তু মনোৰমাই এইবোৰ ভগৱানৰ নিৰ্মালি বুলিয়েই গ্ৰহণ কৰিছিল আৰু সেই সাহস লৈয়ে তাই এটা এটাকৈ সুদীৰ্ঘ ছটা বছৰ পাৰ কৰি দিছিল। এট ছটা বছৰত মনোৰমাই মনৰ বাগিছাখনত দেশী-বিদেশী বহুত ধুনীয়া ধুনীয়া ফুলো ৰুলে। তাৰে কিছুমান ডালে-পাতে জক-মকীয়া হৈ উঠিল, ক'লিও পেলালে; কিন্তু ছুই এটা ক'লি ফুলিবলৈ আৰম্ভ কৰোঁতেই হিল-দল ভাঙি অহা এজাক পচোৱা বতাহে সকলো চুৰমাৰ কৰি একাকাৰ কৰি পেলালে। নিমিষতে তাইৰ অলেখ দিনৰ যত্নত গঢ়ি তোলা অতি আদৰৰ বাগিছাখন উছন হৈ গ'ল। 'তেনে বিশেষ একো নাই হোৱা' বুলি যিজন মানুহৰ বিষয়ে হস্পি-টেলৰ প্ৰায় প্ৰতিজন ডাক্তৰে তাইক সান্ত্বনা দিছিল, সেইজন মানুহৰে অৱশেষত অভাৱনীয় সাংঘাতিক পৰিণতি ঘটিল। মৃত্যুৰ প্ৰায় এঘণ্টা আগলৈকে তাইৰ লগত ভালদৰে কথা পাতিছিল। হাঁহিছিলো। কিন্তু হঠাৎ কি হৈ গ'ল! বুকুখন হেঁচি ধৰি মানুহজনে খুব কষ্টেৰে উশাহ লবলৈ ধৰিলে। মনোৰমাই বাউলীৰ দৰে গৈ কাষৰ কোঠালিত ইমাৰজেন্সি ডিউটিত থকা ডাক্তৰক মাতি আনিলে। ডাক্তৰৰ নিৰ্দেশত নাৰ্চজনীয়ে ইনজেকচন এটা দি শেষ কৰিবলৈ নৌপাওতেই সকলো শেষ হৈ গ'ল। সেই মুহূৰ্তত তাইৰ এনে লাগি গৈছিল যেন এশ মহলীয়া বৃহৎ আট্টা-লিকা এটা ভুইঁকপৰ প্ৰকাণ্ড জোকাৰণিত চূৰ্চ মৈ হৈ তাইৰ ওপৰত পৰি গৈছে! বহু সময়লৈ তাই একো দেখা নাছিল, একো, শুনা নাছিল, একো ক'ব পৰা নাছিল। তাই এটুকুৰা জড় মাংস পিণ্ডলৈ ৰূপান্তৰিত হৈ গৈছিল।

মৃতদেহ ইতিমধ্যে বাহিৰলৈ উলিয়াই আনি শ্মশানলৈ নিয়াৰ যো-জা ৰৰা হৈছিল। বন্ধু-বান্ধৱ আৰু বিভাগীয় কেইবাখনো গাড়ী গোট খাইছিল। এম্বুলেঞ্চখনত মৃতদেহ তুলি দি বাকী বোৰে বৈ থকা আন আন গাড়ীত উঠি শ্মশান অভিমুখে আগবাঢ়িছিল। পোনাটিক জোৰেৰে বুকুত

সাৱটি মনোৰমাই সেই যাত্ৰা থৰ লাগি চাই ৰ'ল — স্পন্দনহীন ধূসৰ চাৱনিৰে।

হস্পিটেলৰ সমুখত তেতিয়া আহি ৰৈছিল এখন জীপ। গাড়ীখনৰ পৰা নামিছিল বৰুৱা মাষ্টৰ আৰু তেওঁৰ সাদৰী পত্নী। মনোৰমাই বুজি পাইছিল তাই অকলে যাব নোৱাৰিব বুলিয়ে তাইক লৈ যাব আহিছে তেওঁলোকে। তাইৰ অতি আপোন, অতি চিনাকি সেন্দুৰীয়া আলিটো ৰৰলুইতৰ পগলা বানত আজি যে থানবান হৈ গৈছে সেইটো হয়তো তেওঁলোকে বুজি পাইছে। হস্পিটেলৰ পোনে পোনে থকা যিটো আলিৰে মনোৰমাই এতিয়া বৰুৱা মাষ্টৰ আৰু তেওঁৰ পত্নীৰ সত্তে যাব লাগিব সেই বাটটো মনোৰমাৰ সঁচাকৈয়ে বৰ অচিনাকি লাগিল। ●

# ঃ দেৱাল ঃ

শ্ৰীচন্দনা ভাগৱতী
২য় বাৰ্ষিক, স্নাতক মহলা

টিং টিং টিং টিং ·· ··· । তৰাজান হাইস্কুলৰ দুপৰীয়া দহ বজাৰ সংকেত ধ্বনি। ৰমাকান্ত মাষ্টৰ তেতিয়াও স্কুল পোৱাগৈ নাই। নানা বেমেজালিৰে তেওঁৰ পৰিয়ালটো জুৰুলা। যোৱা বিশ বছৰে পোন্ধৰ আগষ্টৰ বাহিৰে কোনো দিনেই তেওঁ ঠিক সময়ত স্কুলত উপস্থিত হ'ব পৰা নাই। আজিও তাৰ ব্যতিক্ৰম নহ'ল। স্কুলৰ দুই এজন শিক্ষক ইতিমধ্যে ক্লাছত সোমাইছে। খৰধৰকৈ ৰমাকান্ত মাষ্টৰে স্কুলৰ চৌহদত প্ৰবেশ কৰি মহাত্মা গান্ধীৰ মূৰ্ত্তিটোৰ কাষেৰে পাৰ হৈ যাওঁতে মূৰ্তিটোলৈ এনেয়ে এবাৰ চকু দিলে। মুহূৰ্তৰ ভিতৰতে তেওঁৰ ভৰিৰ তলৰ পৃথিৱীখন যেন ফাটি ছিৰাছিৰ হৈ গ'ল। মাৰ্বল পাথৰৰ গান্ধীৰ মূৰ্ত্তিটো কোনোবাই আলকাতৰা জাতীয় ঘন ক'লা ৰঙেৰে কদাকাৰ কৰি থৈছে। ৰমাকান্ত মাষ্টৰে খন্তেকৰ বাবে স্তব্ধ হৈ থাকি লাহে লাহে মূৰ্তিটোৰ ওচৰলৈ আগবাঢ়ি গ'ল। তেওঁৰ বুজিবলৈ বাকী নাথাকিল। যোৱা-কালি ভাৰতবৰ্ষৰ পয়ত্ৰিশ বছৰীয়া স্বাধীনতা দিৱসৰ নিচিনা এটা পবিত্ৰ দিনতে মূৰ্তিটো কোনোবাই এই ধৰণে বিকৃত কৰিলে। ভাৰতৰ স্বাধীনতাত আস্থা হেৰুওৱা কোনো লোকৰ এয়া ক্ষোভৰ উদগীৰণ বুলিয়ে ধাৰণা হ'ল তেওঁৰ।

ৰমাকান্ত মাষ্টৰ বাস্তৱলৈ ঘূৰি আহিল। তেওঁ অনুমান কৰিলে স্কুলৰ পৰিবেশ আজি বৰ নিৰ্জন। আন দিনা এইখিনি সময়ত ল'ৰা-ছোৱালীবোৰৰ গণ্ডগোল সামেই নাকাটে। মূৰ্তিটো বিকৃত কৰাত

সিহঁতেও চাগে দুখ পাইছে। মনে মনে তেওঁ ভাবিলে. ভাৰতৰ স্বাধীনতাৰ এয়া চৰম পৰাজয়; নহ'লে জাতিৰ পিতাৰ মূৰ্তিটো এইদৰে অপমান কৰাৰ দুঃসাহস কাৰো নহ'লহেঁতেন।

ক্লাছত সোমাই তেওঁ চাৰিওফালে এবাৰ চাই ল'লে। শেষৰ বেঞ্চখনত সৌৱা মহম্মদ ইমতিয়াজ। সম্ভৱত সি আজিও ভাত খাই অহা নাই। তেওঁ তাক ওচৰলৈ মাতিলে। এটা গধুৰ মন লৈ ইমতিয়াজ চাৰৰ ওচৰ পালে। সি ভাবিলে চাৰে বোধহয় মাজে মাজে সোধাৰ নিচিনাকৈ আজিও সুধিব সি ভাত খাই আহিছে নে নাই। প্ৰথম অৱস্থাত সি লঘোনে থকা কথাটো গোটেইজাক ল'ৰা-ছোৱালীয়ে শুনাকৈ কবলৈ টান পাইছিল। এতিয়া কিন্তু সি অভ্যস্ত। এয়াতো কোনো অসত্য কথা নহয়।

ভবা কথাটো ইমতিয়াজক কিন্তু সেইদিনা চাৰে নুসুধিলে। গহীন মাতেৰে মাথো সুধিলে মূৰ্তিটোত আলকাতৰা সানি ক'লা কৰি দিয়াত কেনে লাগিছে। ইমতিয়াজে ক'লে, 'বেয়া লাগিছে চাৰ।' আৰু ৰমাকান্ত মাষ্টৰক অলপ আচৰিত কৰি দি কেনো দিনে উত্থাপন নকৰা অনুৰোধ এটা সি থেৰো গেৰোকৈ পেছ কৰিলে— "চাৰ, যোৱাকালি দুপৰীয়া এটা আঠিয়াকল আৰু ফিকাচাহ একাপ খাইছিলোঁ। যোৱাৰাতি একোৱে খোৱা নাই। ৰাতিপুৱা গছৰ কেঁচা মাধুৰীআম দুটা পানীৰে খোৱা বাবে হৰপায় এতিয়া বমি হ'ব খুজিছে। মোক এতিয়া ঘৰলৈ যাব দিব লাগে।"

ৰমাকান্ত মাষ্টৰে ইমতিয়াজৰ মৰম লগা শেতা মুখখন আৰু কোটৰত সোমোৱা চকুযুৰিলৈ এখন্তেক চালে। বুকুৰ ভিতৰখন কিবা এক বেদনাত মোচৰ খাই উঠিল। তাৰ পিচত নিজৰ অজানিতে ভিতৰৰ পৰা ওলাই অহা হুমুনিয়াহটো এৰি দি কলে— 'যা। এনেকৈ খালী পেটেৰে আৰু স্কুললৈ নাহিবি।'

মাষ্টৰৰ অনুমতি পাই ইমতিয়াজে থৰক-বৰক কৈ ক্লাছ ৰুমৰপৰা ওলাই গ'ল। ৰমাকান্ত মাষ্টৰে সি ওলাই যোৱাৰ ফালে এখন্তেক ঘূৰি চালে। তেওঁ জানে ইমতিয়াজক খালী পেটেৰে স্কুললৈ আহিবলৈ মানা কৰি দিয়া হৈছে যদিও সি আহিব। মানে তেনেকৈ নাহি তাৰ উপায় নাই। অথচ ক্লাছটোৰ ভিতৰত সিয়ে আটাইতকৈ চোকা আৰু আগ্ৰহী। সেয়েহে ক্লাছৰ আটাইতকৈ বদমাচ ল'ৰা প্ৰীতমৰ তাৰ প্ৰতি ভীষণ ঈৰ্ষা। তৰাজান মৌজাৰ মৌজাদাৰ ব্ৰজমোহন চৌধুৰীৰ ল'ৰা প্ৰীতম। মাক-দেউতাকৰ অত্যধিক মৰমে তাক উদণ্ড কৰি তুলিছে এই বয়সতে। তাৰ সদায় এটা আক্ষেপ— গৰীব হৈয়ো ইমতিয়াজে কেনেকৈ শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাবিলাকত প্ৰথম হৈ থাকে। এই আক্ষেপে তাৰ অন্তৰত ইমতিয়াজৰ প্ৰতি ঈৰ্ষাৰ জুই জ্বলায় আৰু তাৰ আচৰণ, কথা-বতৰাত সেই ঈৰ্ষা পদে পদে প্ৰকশো পায়। অথচ তাৰ বিপৰীতে ইমতিয়াজৰ আচৰণ, কথা-বতৰা কিমান সংযত, কিমান বিনম্ৰ! অথচ সি দিনটোত দুসাজ কি এসাজো ভালকৈ খাব নেপায় ....

মন নাথাকিলেও ৰমাকান্ত মাষ্টৰে এইবাৰ হাতত বুৰঞ্জীৰ কিতাপখন মেলি ল'লে। এইটো ক্লাছত তেওঁ বুৰঞ্জীয়ে পঢ়াই আহিছে বহু বছৰ ধৰি। কিতাপখন মেলি লওঁতেই তেওঁৰ চকু

পৰিল তাজমহলৰ ছবিখনৰ ওপৰত। অসংখ্য নিৰীহ প্ৰজাৰ পিঠিত চাবুক মাৰি অনা অসংখ্য স্বৰ্ণমুদ্ৰাৰ বিনিময়ত গঢ়ি উঠা এই তাজমহল। মোগল সম্ৰাট ছাহজাহানৰ বিলাসী জীৱনৰ এক উজ্জ্বল চানেকি। পৃথিৱীৰ হাজাৰ হাজাৰ পৰ্যটকৰ আকাঙ্খাৰ বস্তু এই তাজমহলৰ বুকুত কিন্তু লুকাই আছে অসংখ্য দৰিদ্ৰ প্ৰজাৰ আৰ্তনাদ। ৰমাকান্ত মাষ্টৰৰ মনটো ক'ব নোৱাৰাকৈয়ে তিক্ত হৈ উঠিল। নীৰৱে উঠি গৈ বোৰ্ডত চক্ পেঞ্চিল ডালেৰে 'তাজমহলৰ বিষয়ে কি জানা লিখা' বুলি প্ৰশ্ন এটা লিখি দি পিৰিয়দটোৰ বাকী সময়খিনি এবাৰ কথাও নোকোৱাকৈ বহি থাকিল।

প্ৰশ্নটোৰ উত্তৰ কোনে কোনে লিখিছে সেই কথাটোও নোসোধাকৈ পিৰিয়দৰ বেলটো পৰাত ছমাহৰ সোলোকাই কেবাদিন নুধুৱা চুৰিয়াৰ আচলটোৰে ছমাহ ভগা গ্লাছখন মচি মচি ৰমাকান্ত মাষ্টৰ ক্লাচৰুমৰ পৰা ওলাই আহিল। বাৰান্দাৰ কমন ৰুমৰ ফালে খোজ কাঢ়ি গৈ থাকোঁতে মনত পৰিল স্কুললৈ ওলাওতে ঘৈণীয়েক সুপ্ৰভাই দি পঠিওৱা বজাৰৰ বস্তুৰ তালিকাখন আৰু চাই-কেলৰ কেৰিয়াৰত ভাঁজ লগাই অনা প্লাষ্টিকৰ মোনাখন। আজি আবেলি ডাঙৰজনী ছোৱালী সুৰভিক চাবলৈ দৰাঘৰৰ মানুহ আহিব। ৰমাকান্ত মাষ্টৰে শুনিছে মানুহঘৰ হেনো বৰ ধনী। ধনী মানুহ বুলি শুনি তেওঁ প্ৰথমে আগবাঢ়িব খোজা নাছিল। ঘৈণীয়েক সুপ্ৰভাই আগ্ৰহ কৰাতহে বিশেষকৈ জীয়েক সুখত পৰিব বুলি সজোৰে যুক্তি দৰ্শোৱাতহে তেওঁ আগবাঢ়িছে।

কমন ৰুমত সোমাই নিজৰ নিৰ্দ্দিষ্ট চকীখনত বহি কামিজৰ জেপত বিড়ি এডাল খেপিয়াবলৈ লওঁতেই হাতখন বজাৰৰ তালিখনত লাগিল। জেপৰ পৰা উলিয়াই আকৌ এবাৰ তালিকাখন চাই ল'লে তেওঁ। কেবাবিধ মিঠাইৰ লগত আপেল আৰু আঙুৰ। পাৰিলে কাজুবাদামো। ৰমাকান্ত মাষ্টৰৰ খণ্ডে চুলিৰ আগ পালেগৈ। এইবোৰ বস্তুৰ হিচাপ সুপ্ৰভাই কিয় দিছে তেওঁ আকৌ এবাৰ ভাবি চালে। নাই, কোনো যুক্তিয়ে তেওঁ বিচাৰি নাপালে। দৰাপক্ষই ছোৱালী চাব আহিব। ছোৱালী পছন্দ হ'লে বিয়া হ'ব— নহ'লে নাই। কিন্তু সেইটো উপলক্ষে ইমান খিনি আয়োজনৰ কি প্ৰয়োজন? ঘৰত বনোৱা লুচী ভাজিৰ লগত এবিধ বা দুবিধ মিঠাই হলেওতো হৈ যায়। মাহৰ আধা দিন পাৰ নোহওঁতেই যাৰ দৰমহাৰ টকা কেইটা নিজৰ অতৰ্কিতে অদৃশ্য হৈ যায় সেই ৰমাকান্ত মাষ্টৰৰ মাহৰ আঠাইশ তাৰিখে আপেল আঙুৰ কিনাৰ কথা মনলৈ অহাত কেবা ফুট ওখ ঠিয় দেৱাল এখন পাৰ হ'ব লগা যেন লাগিব।

সমস্যাটো কেনেধৰণে সমাধা কৰিব তাকে চিন্তা কৰি ৰমাকান্ত মাষ্টৰে জেপৰ পৰা বিড়ি এডাল উলিয়াই ললে। তাৰ পিচত ওচৰৰ চকীখনত বহি থকা যাদৱ বৰ্মনৰ পৰা জুইবাহটো খুজি বিড়িডাল জ্বলাই লৈ ঘন ঘনকৈ হুপিবলৈ ধৰিলে। সাধাৰণতে ৰমাকান্ত মাষ্টৰক চিন্তাই সমস্যাই হেঁচি ধৰিলে তেওঁ বিড়ি খায় আৰু ঘনঘনকৈ হুপি ধোঁৱাবোৰ ওপৰলৈ উলিয়াই দিয়ে। ডেৰকুৰি বছৰে সুখে দুখে একেলগে চাকৰি কৰি অহা সহকৰ্মী সকলৰ প্ৰায় সকলোৱে সেই কথা জানে। আজিও

যে ৰমাকান্ত মাষ্টৰৰ কিবা এটা হৈছে বৰ্মনে বুজি পালে। এবাৰ চেগ বুজি তেওঁ কাৰণটো ৰমামাষ্টৰক সুধিয়ে পেলালে। আপোনভোলা ৰমাকান্ত মাষ্টৰে সাধাৰণতে তেওঁৰ প্ৰায় সকলো সমস্যা সহকৰ্মী সকলোবিলাকৰ আগত নহলেও দুই চাৰিজনৰ আগত কোনো লুকঢাক নোহোৱাকৈ প্ৰকাশ কৰে। বৰ্মনো তেনে এজন সহকৰ্মী। আজি কিন্তু ৰমাকান্ত মাষ্টৰৰ সমস্যাটোৰ বিষয়ে এবাৰ কথাও কবলৈ মন ন'গল। কাৰণ আজিৰ সমস্যা সমাধানত বৰ্মনে যে এক বিন্দুও অৰিহণা যোগাব নোৱাৰে সেই কথা তেওঁৰ জনা আছে। তেওঁৰ মনত তেতিয়া এজন মানুহৰ ছবিহে প্ৰকট হৈ উঠিছিল। সেইজন লাকবি সিং দোকানী। টানে-মস্কিলে তেওঁ আগতেও লাকবি সিঙৰ পৰা টকা ধাৰ লৈছে। পিচে এনেয়ে নহয়। সুদত আৰু বস্তু বন্ধকীত ৰাখিহে। দ্বিতীয় ছোৱালী জনীৰ জ্বৰত প্ৰায় ছমাহ আগতে সুপ্ৰভাৰ হাতৰ আঙঠিটো তাৰ হাতত বন্ধকত থৈ ধাৰলৈ লোৱা টকা দুশ আজিলৈকে দিবই পৰা নাই। আজি হয়তো সেই কথাটোকে সোঁৱৰাই দি সি টকা দিবলৈ থেৰো-গেৰো কৰিব। কিন্তু টকা তাৰ পৰাই ধাৰলৈ লব লাগিব। কথাখিনি মনতে জুকিয়াই লৈ তেওঁ হাতত পিন্ধি থকা ঘড়ীটোৰ ফালে চালে। সুপ্ৰভাৰ দেউতাকে তেওঁক বিয়াত দিয়া উপহাৰ। যোৱা ত্ৰিশটা বছৰে সুখে দুখে সুপ্ৰভাৰ নিচিনাকৈ বিনা প্ৰতিবাদে তেওঁৰ সহযোগী হৈ আছিছে। ঘড়ীটো বন্ধকত থলে টকা একশ ধাৰত দিবলৈ লাকবি সিং সন্মত হ'ব পাৰে। মাহটো ভৰিলেই দৰ্মহাৰ পইচাৰে প্ৰথমে এইটোকে উলিয়াই ল'ব লাগিব। লাকবি সিঙে যদি ঘড়ীটো ৰাখিবলৈ অসন্মত হয় চাইকেলখনকে বন্ধকত থ'ব। দুটা তিনিটা দিনৰহে কথা।

কথাখিনি চিন্তা কৰি ৰমাকান্ত মাষ্টৰে কমন ৰুমৰ পৰা ওলাই হেড্‌মাষ্টৰৰ ৰুম পালেগৈ। হেড্‌মাষ্টৰৰ পৰা ঘৰত বৰ জৰুৰী কাম থকা বুলি ছুটী অনুমতি লৈ তেওঁ চাইকেল খন ঠেলি ঠেলি স্কুল চোহদৰপৰা ওলাই ৰাষ্টা পালে। তাৰপিচত চাইকেলখনত উঠি ল'লে। লাকবি সিঙক গাদীত থাকোঁতে লগ পাব লাগিব। দুপৰীয়া ভাত খাবলৈ গ'লে আহোঁতে সি দেৰী কৰে। পইচাখিনি এতিয়া যোগাৰ নকৰিলেই নহ'ব। দৰা পক্ষৰ মানুহ আবেলি তিনিটা চাৰিটাৰ ভিতৰত আহি পাবহি। সুৰভিক পছন্দ হ'ল বিয়াখন বহাগতে পাতিব লাগিব। তেতিয়াও লাকবি সিঙকে ধৰিব লাগিব। সুপ্ৰভাই কৈছে— বিয়াখন হ'লে দৰাঘৰৰ মান ৰাখি কোনো কাৰ্পণ্য নকৰকৈ যৌতুকো দিব লাগিব। মানে—হাতৰ কাণৰ, ডিঙিৰ, সোণৰ অলংকাৰ, ফাৰ্ণিছাৰ, পাট-মুগাৰ চেট্‌ ইত্যাদি ইত্যাদি। আকৌ ৰাইজৰ অভ্যৰ্থনাতো আছেই— ।

মনত চিন্তাৰ বা-মাৰলিজাক লৈ জনকীৰ্ণ ৰাষ্টাৰ মাজেৰে ৰমাকান্ত মাষ্টৰ চাইকেলেৰে আগবাঢ়িল। মাষ্টৰে গৈ থকা চিনাকি মানুহ বিলাকক আজি তেওঁৰ বৰ অচিনাকি যেন লাগিল। গাড়ী-মটৰৰ সঙ্কেতো তেওঁৰ কাণত নপৰা হ'ল। এটা সময়ত পিচফালৰ পৰা প্ৰচণ্ড গতিত অহা ট্ৰাক এখনে ৰমাকান্ত মাষ্টৰক খুন্দা মাৰি বগৰাই দিলে। মুহূৰ্তৰ ভিতৰত কি হৈ গ'ল তেওঁ গমেই নাপালে। মাত্ৰ খন্তেক সময়ৰ কাৰণে তেওঁৰ সমুখত জিলিকি উঠিল আলকাতৰাৰে কদাকাৰ কৰি দিয়া গান্ধীৰ মাৰ্বলৰ মূৰ্তিটো ......ইমতিয়াজ -- ......
ঘৈণীকেয় সুপ্ৰভাই দিয়া বজাৰৰ তালিকাখন
লাকবি সিং দোকানী কইনাৰ সাজত
তেওঁৰ ডাঙৰজনী ছোৱালী সুৰভি...... ...

# স্তব্ধ প্ৰহৰ

**শ্ৰীক্ষীৰোদ কুমাৰ ঠাকুৰীয়া**
২য় বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়

হঠাৎ দুৱাৰত কাৰোবাৰ ব্যগ্ৰ হাতৰ টোকৰ পৰাত টোপনিৰ শেষ আমেজকণ ভাঙি গ'ল ডাক্তৰ চলিহাৰ। দুৱাৰখন খুলি দেখা পালে স্থানীয় হাইস্কুলৰ শিক্ষক জীৱন বৰুৱাক। মানুহজনক চিনি পায় ডাঃ চলিহাই। এইখন পাহাৰীয়া ঠাইলৈ বদলি হৈ অহাৰ তিনি মাহৰ ভিতৰত কম সংখ্যক অসমীয়া মানুহ হে চকুত পৰিছে ডাঃ চলিহাৰ। তাৰ ভিতৰত ডাঃ চলিহাই জীৱন বৰুৱাক মনত ৰখাৰ বিশেষ কাৰণটো হৈছে মানুহজনৰ কথা-বতৰা, চাল-চলন সকলোতে ফুটি উঠা ব্যক্তিত্ব। মুখমণ্ডলত যথেষ্ট ব্যগ্ৰতা, ব্যাকুলতা আৰু আতংকৰ প্ৰলেপ সানি ডাঃ চলিহাক দেখাৰ লগে লগে বৰুৱা মাষ্টৰে কৈ উঠিল — "ডাক্তৰ অনুগ্ৰহ কৰি মোৰ তালৈ এতিয়াই এবাৰ যাব লাগে। মোৰ পৰিবাৰৰ কালিৰপৰা তীব্ৰ জ্বৰ। আপুনি দয়া কৰি এতিয়া - এতিয়াই এবাৰ যাবনে ?" ডাঃ চলিহাই লক্ষ্য কৰিলে মানুহজনৰ কাতৰ অনুৰোধৰ চাপ পৰা চকু দুটা যেন কিবা এক বেদনাত সেমেকি উঠিছে। শুই উঠি মুখখনো ধুব নোৱাৰা অৱস্থাত আহি আমনি দিয়াত স্বাভাৱিকতে ডাঃ চলিহা যথেষ্ট বিৰক্ত হ'ল যদিও মানুহজনৰ সনিৰ্বন্ধ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলে।

মুখখন দৌৰাদৌৰিকৈ ধুই গাত কাপোৰযোৰ সোমাই দৌৰাদৌৰিকৈ হাতত ষ্টেটিচস্কোপ আৰু দুই এপদ দৰ্কাৰী বস্তুৰে চামৰাৰ সৰু বেগটো লৈ ডাঃ চলিহা জীৱন বৰুৱাৰ লগত ওলাই আহিল। বৰুৱাই ৰিক্সা এখন লৈ আহিছিল। দুয়ো ৰিক্সাত উঠি ললে।

ডাঃ চলিহাৰ চৰকাৰী বাসস্থানৰ পৰা জীৱন মাষ্টৰৰ ঘৰলৈ প্ৰায় এক কিল'মিটাৰ হ'ব। ৰিক্সা খন মাষ্টৰৰ নিৰ্দেশ মতে যিটো ঘৰৰ সমুখত ৰ'ল তাৰ নওলা মুখত ব্যগ্ৰতাৰে বৈ আছিল এজনী ওঠৰ-বিশ বছৰীয়া গাভৰু। মাষ্টৰে ৰিক্সাৰপৰা নামিয়েই ছোৱালীজনীক সুধিলে— "এতিয়া মাৰ কেনে আছে ?" "একে আছে দেউতা" বুলি কৈ ছোৱালী জনীয়ে ডাক্তৰৰ ফালে ঘূৰি চালে। চকুত অযুত কাকুতি লৈ ডাক্তৰৰ ফালে চোৱা ছোৱালীজনীৰ চকুযুৰি পানীৰে চপচপীয়া হৈ থকা ডাক্তৰে লক্ষ্য কৰিলে।

এখন্তেকো দেৰি নকৰি ডাঃ চলিহা আৰু বৰুৱা ছোৱালীজনীৰ পিচে পিচে ৰোগীৰ কোঠালৈ সোমাই গ'ল। বিচনা এখনত বৰুৱাৰ পত্নীক শুৱাই থোৱা আছে। প্ৰায় মূৰৰপৰা ভৰিলৈকে জাপি দিয়া আছে এখন লেপ আৰু লেপৰ ওপৰত

এখন কম্বল। হয়তো জ্বৰৰ তীব্ৰতা বোধ কৰিবলৈ কৰা অপচেষ্টা। বৰুৱা বা ছোৱালীজনীলৈ অপেক্ষা নকৰি ডাঃ চলিহাই নিজে লেপ আৰু কম্বলখন মূৰৰপৰা ডিঙিলৈকে গুচাই দিলে। কিন্তু এয়া কি? ডাঃ চলিহাৰ দুচকু মুহূৰ্তৰ কাৰণে ৰোগীৰ মুখৰ ফালে চাই থৰ লাগি গ'ল। অন্তৰৰ গভীৰতম স্থানত মুহূৰ্তৰ বাবে যেন এক বৰ ভূঁইকপৰ জোকাৰণি অনুভৱ কৰিলে ডাঃ চলিহাই। কিন্তু সেয়া মুহূৰ্তৰ বাবেহে। চলিহা ডাক্তৰ সুখ্যাতিৰে পাচ কৰি সুখ্যাতিৰে চিকিৎসা কৰি অহা সঁচা অৰ্থৰ কৃতী ডাক্তৰ। অনুভূতিৰ আক্ৰমণক লাই নিদিয়ে সহজে। তথাপি মুহূৰ্তৰ কাৰণে নিজৰ অজানিতে ঘটি যোৱা ভাৱান্তৰক বৰুৱা বা বৰুৱাৰ ছোৱালীজনীক জানিব নিদি সম্পূৰ্ণ নিৰুদ্বেগ মনে সুধি গ'ল ৰোগৰ বিৱৰণ। লগে লগে ষ্টেটিচস্কোপেৰে পৰীক্ষা কৰিলে বুকু পিঠি। প্ৰথমতে হাতেৰে পিচত থাৰ্মোমিটাৰেৰে জুখি ললে শৰীৰৰ উষ্ণতা। ৰোগীৰ মুদ খাই থকা চকুৰ পতা মেলি লৈ কিবা চাই ডাঃ চলিহা নিজৰ অজানিতে গম্ভীৰ হৈ পৰিছিল। ততাতৈয়াকৈ নিজৰ অকমানি চামৰাৰ বেগটোৰপৰা টেবলেট কেইটামান উলিয়াই তাৰে দুটা তেতিয়াই খুৱাই দিবলৈ ওচৰত একান্ত বাধ্য ছাত্ৰীৰ দৰে বৈ থকা বৰুৱাৰ ছোৱালীজনীক নিৰ্দেশ দিলে। তাৰ পিচত কাষত পাৰি থোৱা চকীখনত বহি এটুকুৰা কাগজত ঔষধ কেইটামান লিখি অতি সোনকালে সেইকেইটা আনি ৰোগীক খুওৱাৰ কথা বৰুৱাক কলে। তাৰ পিচত আকৌ এবাৰ ৰোগীৰ মুখখন চাই ডাঃ চলিহা বহাৰপৰা উঠিল। মাষ্টৰৰ নিৰ্দেশত ছোৱালীজনীয়ে বটাটোত দুখন দহটকীয়া নোট আগবঢ়াই দিলে। ডাক্তৰৰ পাৰিশ্ৰমিক। কিয় জানো টকা বিশটা লবলৈ ডাঃ চলিহাৰ কোনো পধ্যেই সত নগ'ল। বৰুৱাৰ অনুৰোধত 'পিচত ল'ম বাৰু' বুলি কৈ ডাক্তৰ চলিহা চিন্তান্বিতভাবে ওলাই আহিল। নওলা মুখলৈ আগবঢ়াই দিবলৈ আহোঁতে বৰুৱাই ৰোগীৰ অৱস্থাৰ বিষয়ে সোধাত ডাঃ চলিহা একমুহূৰ্তৰ কাৰণে বিমোৰত পৰি গ'ল। এনেকুৱা ক্ষেত্ৰত সঁচা কথাটো কোৱা অসুবিধা-জনক যদিও ৰোগীৰ মঙ্গল চিন্তা কৰি সঁচাকথাটোকে ডাঃ চলিহাই বৰুৱাক কলে— "চিৰিয়াছ; কিন্তু ভাল চিকিৎসা আৰু যত্নত আৰোগ্য হ'ব পাৰে। আপুনি সোনকালে ঔষধ কেইটা অনাৰ ব্যৱস্থা কৰক। প্ৰয়োজন হলে মোক খবৰ দিব।" কথা কেইটা কৈ ডাঃ চলিহাই বৈ থকা ৰিক্সাখনত কোৱাৰ্টাৰলৈ উভতিল। ৰাতিপুৱাৰ চাহকাপ খোৱাই হোৱা নাই। চাহ খাই সোনকালে হস্পিটেল পাব লাগে। চিৰিয়াছ ৰোগী এটা কালি গধূলি ভৰ্তি কৰা হৈছে। হয়তো মেডিকেল কলেজলৈ স্থানান্তৰিত কৰাবো প্ৰয়োজন হ'ব পাৰে।

কোৱাৰ্টাৰলৈ আহি দৌৰাদৌৰিকৈ চাহ কাপ খাই চলিহা হস্পিটেল পালেগৈ। প্ৰথমে চিৰিয়াছ ৰোগীটোৰ ওচৰলৈ গৈ এটেণ্ডিং নাৰ্চৰ পৰা গম পালে ৰোগীৰ কালি ভাল টোপনি হৈছে। ঔষধে ভাল বেচ্‌পণ্ড কৰিছে। চলিহাৰ যথেষ্ট সকাহ পোৱা যেন লাগিল। তাৰ পিচত ৱাৰ্ডৰ বাকীবোৰ ৰোগীৰ ওচৰে ওচৰে গৈ ডিউটিত থকা নাৰ্চ কেইগৰাকীক প্ৰয়োজনীয় নিৰ্দেশ দি আহি নিজৰ নিৰ্দিষ্ট আসনত বহি চিগাৰেট এটা জ্বলাই ল'লে। লগে লগে ৰাতিপুৱা দেখি অহা বৰুৱা

মাষ্টৰৰ ঘৈণীয়েকৰ মুখখনে তেওঁৰ সন্মুখত দোলা দিব ধৰিলে। সাইলাখ একে মুখ। সুদীৰ্ঘ বিশ বছৰ আগতে ভোগদৈৰ বলিয়া বানত মাকৰ লগতে হেৰাই যোৱা মাইকণ বায়েকৰ সাইলাখ একে মুখ। কিন্তু কেনেকৈ কেনেকৈ সম্ভৱ হ'ব পাৰে এইটো? ভোগদৈয়েতো আন বহুতৰ লগতে মাক আৰু বায়েক দুয়োকে গ্ৰাস কৰা বুলিয়ে ধৰি লৈছে তেওঁ। নহ'লে এই সুদীৰ্ঘ বিশ বছৰে কিয় তেওঁ সিহঁতৰ খবৰ এটি নোপোৱাকৈ থাকিব? তহঁপৰি এতিয়া লুইতৰ বুকুত জাহ যোৱা সিহঁতৰ আমতোলা গাঁওৰ পৰা পাঁচশ মাইল আঁতৰৰ এই পাহৰীয়া চহৰখনত ক'ৰপৰা কেনেকৈ ওলাব তেওঁৰ আদৰৰ বায়েকজনী? কেই মুহূৰ্তৰ কাৰণে ডাঃ চলিহাৰ স্মৃতিৰ পৰ্দাত ভাঁহি উঠিল কুৰি বছৰ আগৰ এটি দিনৰ এখন নিৰ্মম ছবি। সেই ছবিত দেখা পালে আমতোলা গাঁৱৰ এটি দহ বছৰীয়া শিশু, শিশুটিৰ বৃদ্ধা মাক আৰু কুৰিৰ দেওনাত ভৰি দিয়া ৰাংচালী সাদৰী বায়েক-জনী। লগতে অতি চেনেহৰ গাঁওখনি। আন দিনাৰদৰে উমলি জামলি সেইদিনাও সি শুই পৰিছিল। একেখন বিচনাতে—কাষত তাৰ বায়েক। আন এখন বিচনাত মাক। হঠাৎ ঘটি গ'ল সাংঘাতিক নিৰ্মম ঘটনাটো। গাঁৱৰ উত্তৰফালে সজোৱা মথাউৰিটো প্ৰচণ্ড শব্দ কৰি ছিঙি গ'ল। লগে লগে আৰম্ভ হ'ল আৰ্তনাদ, চিঞৰ-বাখৰ। বানৰ পগলা সোঁতত মাক আৰু বায়েক কেনি উটি গ'ল সি গমেই নাপালে। ঘৰৰ মুধচত চিঞৰি চিঞৰি কোনোমতে খামোচ মাৰি ধৰি থাকোঁতে গাঁৱৰ প্ৰাণকৃষ্ণ আতৈয়ে তাক দেখা পাই ভুৰত তুলি লৈ আনিছিল পাঁচ মাইল আঁতৰৰ প্ৰাইমাৰী স্কুলখনত পতা সাহায্য শিবিৰলৈ। মাক আৰু বায়েকক তাত নেদেখি সি চিঞৰি চিঞৰি কান্দিছিল। তাৰদৰে সি আৰু বহুতকে কন্দা দেখিছিল। বহুতকে-নিজৰ বহুতকে হেৰোৱা সি খবৰ পাইছিল। অৱশেষত দিনৰ পিচত দিন কান্দি কান্দি সি ভাগৰি পৰিছিল। আৰু সাহায্য শিবিৰ উঠাই দিয়াৰ পিচত সি হৈ পৰিছিল সন্তানহীন আনন্দ মাষ্টৰৰ তোলনীয়া ল'ৰা। এটা সময়ত সি সহিব পৰা হৈছিল মাক আৰু বায়েকৰ অনুপস্থিতি এটাসময়ত টোপনিতে সি 'মা' অথবা 'বাইদেউ' বুলি চিঞৰি উঠা হৈছিল। কেবাবছৰলৈ জীৱন্ত হৈ থকা তেওঁলোকৰ কেঁচা স্মৃতিত এটা সময়ত জমা হৈছিল বছৰৰ ধূলি-মাকতি। মাষ্টৰৰ তত্বাৱধান আৰু অনুগ্ৰহত সেই শিশুটোৱে মনপুতি পঢ়াশুনা কৰি অৱশেষত এদিন ডাক্তৰ হৈ ওলাইছিল।

স্মৃতিৰ এলবামৰপৰা নিজৰ অতীতৰ ছবিবোৰ এখন এখনকৈ উলিয়াই চাই থাকোঁতে ডাঃ চলিহাই কিছুসময়ৰ কাৰণে পাহৰি গৈছিল তেওঁৰ চাৰিও ফালৰ পৰিবেশ। হঠাৎ মানুহ এজনৰ ব্যস্ত আগমন আৰু সম্বোধনে তেওঁৰ তন্ময়তা ভাঙি দিছিল। মানুহজনে তেওঁক নিব বিচাৰিছে। ঘৰত একমাত্ৰ পুত্ৰৰ যে'ৱা-থোৱা অৱস্থা। ৰাতি-পুৱা বকৰা মাষ্টৰৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰাৰদৰে এই অনুৰোধটোও উপেক্ষা কৰিব নোৱাৰিলে ডাঃ চলিহাই। অনিচ্ছা স্বত্বেও উঠি পৰিল। ডিচপেনচিং ৰুমত থকা নাৰ্চজনীক কৈ গ'ল— আহোঁতে অলপ দেৰি হ'ব পাৰে।

আৰু সঁচাকৈয়ে যেতিয়া তেওঁ ঘূৰি আহিছিল তেতিয়া যথেষ্ট দেৰি হৈ গৈছিল। যাবলগীয়া হৈছিল প্ৰায় চাৰি মাইল দূৰৰ ধেঁকট গাঁও এখনলৈ। তাকো গোটেই ছোৱা বাট চাইকেল নিব পৰা হলে কথা নাছিল। কিছু দূৰ যোৱাৰ পিচত আধা মাইলমান বাষ্টা চাইকেল ঠেলি নিব লগা হৈছিল। বাষ্টাৰ তেনে অৱস্থা দেখি এবাৰ উভতি অহাৰ ভাৱ কৰাত মানুহজনে তেওঁৰ ভৰিত ধৰাৰ নিচিনা কৰিলে। গতিকে উপায় নাই। পথৰ সকলো দুৰ্গতি আৰু বিলম্ব মূৰ পাতি নীৰৱে যাবলগীয়া হ'ল।

হস্পিটেল আহি পোৱাৰ লগে লগে নাৰ্চ–জনীয়ে ডাক্তৰ চলিহাক জীৱন বৰুৱা নামৰ মানুহ এজনে যে তেওঁ ওলাই যোৱাৰ ঠিক পিচতে বিচাৰি অহা কথা ক'লে। লগতে কলে মানুহ-জনৰ ঘৰত হেনো ঘৈণীয়েকৰ বৰ টান। ডাক্তৰ চলিহাই যেন অতি সোনকালে পাক এটা মাৰে।

এক মুহূৰ্তও পলম নকৰি ডাঃ চলিহা চাই-কেলত উঠিছিল। আৰু যেতিয়া বৰুৱা মাষ্টৰৰ ঘৰৰ সমুখত চাইকেল ৰাখিছিল তেতিয়া তেওঁ দেখা পাইছিল চোতালত, পিৰলিত বহুতো মানুহৰ জুম। মতা, তিৰোতা ল'ৰা-ছোৱালী। সকলোৰে চকু সেমেকা। ঘৰৰ ভিতৰৰ পৰা ভাঁহি আহিছিল বৰুৱা মাষ্টৰৰ বিলাপ আৰু কোনোবা নাৰীকণ্ঠৰ হিয়া ভগা কান্দোন। নিশ্চয় বৰুৱা মাষ্টৰৰ ছোৱালীজনীৰে হ'ব --ডাঃ চলিহাই অনুমান কৰি ল'লে।

ডাঃ চলিহা এনে পৰিস্থিতিৰ সমুখীন আগতে কাহানিও হোৱা নাছিল। পৰিস্থিতিটো দেখিয়ে বুজি পাইছিল সকলো শেষ হৈ গৈছে। ডাক্তৰ হিচাপে তেওঁ অহাৰ প্ৰয়োজনো এতিয়া শেষ হৈ গৈছে। তথাপিও এক অহেতুক কৌতুহলত বন্দী হৈ ডাঃ চলিহাই মানুহৰ ভিৰ ঠেলি ৰোগী থকা কোঠাটোলৈ সোমাই যাব খোজোঁতেই বৰুৱা মাষ্টৰে দেখা পাই প্ৰায় চিঞৰি উঠিল ঃ "ডাক্তৰ, আপোনাক আৰু এতিয়া প্ৰয়োজন নাই।" তাৰ পিচত সোঁহাতেৰে নিজৰ কপালত জোৰেৰে চপৰিয়াই মানুহজনে এক অব্যক্ত বেদনাত মাটিত বহি পৰিছিল।

বৰুৱাৰ বাবে ডাঃ চলিহাৰ প্ৰয়োজন শেষ হৈ গলেও নিজৰ মনৰ মাজত অনুভৱ কৰা কিবা এক প্ৰয়োজনত ডাঃ চলিহাই ৰোগী শুৱাই থোৱা বিচনাখনৰ কাষ পালেগৈ। আৰু ভূত দেখা মানুহৰ দৰে ডাক্তৰ চলিহাই দেখা পালে যিখন চাদৰেৰে বৰুৱা মাষ্টৰৰ পত্নীৰ মৃত দেহটো ঢাকি থোৱা হৈছিল, সেইখন চাদৰ সুদীৰ্ঘ কুৰিটা বছৰ আগতে আমতোলা নামৰ এখন শান্তশ্ৰী গাঁওৰ এটি শান্তিৰে ভৰা পঁজাৰ পিৰালিত বহি গাঁওৰ সবাতকৈ লেখত লবলগীয়া বোৱনী বাং-ঢালী গাভৰু এগৰাকীয়ে গৰকাৰ চাবে চাবে বিহু গীতৰ কলি আওৰাই বইছিল। সোণালী সূতাৰ বুটা বছা চাদৰখনৰ একোণত গাভৰু গৰাকীয়ে নিজৰ নামটোও তুলি লৈছিল। চাদৰ-খন সঁচাকৈয়ে ইমান চকুত লগা হৈছিল যে গাঁওৰ প্ৰায় প্ৰতিজনী মাইকী মানুহে গাভৰু গৰাকীক মুখখুলি প্ৰশংসা কৰিছিল। সোণালী সূতাৰ বুটা বছা আৰু নিজৰ নাম লিখা একেখন চাদৰেৰে বৰুৱাৰ পত্নীৰ মৃতদেহটো ঢাকি থোৱা দেখি ডাঃ চলিহাৰ অনুভূতিৰ মৰ্মস্থলীত আগতে কাহানিও নঘটা এক সৰ্বগ্ৰাসী বিস্ফোৰণ ঘটিছিল। সহজে অনুভূতিক প্ৰশ্ৰয় নিদিয়া ধীৰ স্থিৰ ডাক্তৰ দীপক চলিহাই বাধা নামানি হিলদল ভাঙি ওলাই অহা দুচকুৰ পানীবোৰ ভেটা দিবলৈ দুয়োখন হাতেৰে নিজৰ চকুদুটা জোৰেৰে হেঁচি ধৰিছিল।

●●

# প্ৰবন্ধ

## সংস্কৃতিৰ ওপৰত পৰিবেশৰ প্ৰভাৱ

শ্ৰীভবেশ চন্দ্ৰ গোস্বামী
অধ্যাপক, নৃতত্ত্ববিজ্ঞান বিভাগ

প্ৰচলিত অৰ্থত সংস্কৃতিয়ে সাহিত্য, শিল্পকলা, নৃত্য, গীত আদি কৃষ্টিমূলক দিশবোৰকহে বুজায়। উদাহৰণ স্বৰূপে, অসমীয়া সংস্কৃতি বুলিলে আমাৰ মনৰ দাপোণত ভাঁহি উঠে বিহুৰ দৰে জাতীয় উৎসৱবোৰ, বনগীত, বৰগীত, পাটমুগাৰ বুটাবছা কাপোৰ, জাপি ইত্যাদি। এই সকলোবোৰ অসমীয়া সংস্কৃতিৰ উপাদান। ইয়াৰ উপৰিও খেতি-বাতি, ঘৰ-বাৰী, কোৰ, দা, মাছমৰা বিভিন্ন সঁজুলি, ধৰ্মীয় বিশ্বাস আদিও অসমীয়া সংস্কৃতিৰ অংগ। ইয়াৰ মাজতে আমি অসমীয়া সংস্কৃতিৰ স্বৰূপ দেখিবলৈ পাওঁ। মানুহে সমাজৰ স্বীকৃতি লৈ যি কৰে সেয়ে সংস্কৃতি। এই কাৰ্যৰ মাজেদি সেই সমাজৰ সংস্কৃতি প্ৰতিফলিত হয়।

প্ৰত্যেক জাতিৰে নিজস্ব সংস্কৃতি থাকে। সংস্কৃতিৰ পৰিচয়ে জাতিৰ পৰিচয়। যি জাতিৰ সংস্কৃতি নাই সেই জাতিয়ে স্বকীয়তা হেৰুৱাই অন্য জাতিৰ লগত বিলীন হোৱাৰ সম্ভাৱনা থাকে। অৰ্থাৎ জাতিটোৰ অস্তিত্ব অৱশেষত লোপ পায়। কিন্তু সেইবুলি সংস্কৃতি স্থিতিশীল নহয়। সংস্কৃতিৰ পৰিৱৰ্তন নোহোৱাকৈ নাথাকে। নহ'লে যুগে যুগে মানৱ সংস্কৃতিৰ বিভিন্নৰূপ নেদেখিলোহেঁতেন। আমাৰ ওচৰৰ পাহাৰীয়া জনজাতি বিলাকৰো নিজা সংস্কৃতি আছে। বড়ো, ৰাভা, কছাৰী, গাৰো, নগা আদি বিভিন্ন জনজাতি বিলাকৰ নিজস্ব সংস্কৃতি আছে আৰু তেওঁলোকৰ মাজত সংস্কৃতিৰ বিভিন্ন ৰূপ বিদ্যমান। যাঠিৰে সৈতে আৰু ঘৰতে বোৱা সুন্দৰ কাপোৰেৰে নগা যুৱক এজনে আমাৰ মনত তেওঁলোকৰ সংস্কৃতিৰ ৰূপ ফুটাই তোলে। তেওঁলোকৰ সাজ-পাৰ, আহাৰ, ৰন্ধন প্ৰণালী, ধৰ্মীয় অনুষ্ঠান আদি এটাৰ লগত আনটো নিমিলে। সংস্কৃতিৰ বিভিন্ন উপাদান আৰু দিশবোৰৰ বৈচিত্ৰ্য বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। নানা উপাদানেৰে মানুহে নিজ নিজ সংস্কৃতিক পৰিবেশ সৃষ্টি কৰি লৈছে। পৃথিবীৰ এনে কোনো জাতি বা সম্প্ৰদায় নাই যাৰ সংস্কৃতি নাই। ইমান সময়ে সংস্কৃতি সম্বন্ধে এটি চমু আভাসহে দিয়া হ'ল। এতিয়া পৰিবেশে সংস্কৃতিৰ ওপৰত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে তাক বৰ্ণনা কৰা যাওক।

প্ৰাকৃতিক পৰিবেশ লৈ মানৱজীৱন ধাৰাত নানা

বৈচিত্র্যৰ সৃষ্টি হয়। পৃথিবীৰ প্ৰায় সকলো অঞ্চলতে মানুহ বাস কৰে। কিন্তু এই অঞ্চলবোৰৰ জলবায়ু, বতৰ বা ঠাইৰ উচ্চতা একে নহয়। বিভিন্ন পৰিবেশত মানুহে নিজকে বেলেগ বেলেগ ধৰণে খাপ খুৱাই লবলগীয়া হয়। ইয়াৰ বাবে মানুহে নানা সাংস্কৃতিক উপায় অৱলম্বন কৰে। ফলত ভিন্ ভিন্ প্ৰাকৃতিক পৰিবেশত মানুহৰ সাংস্কৃতিক জীৱনত কিছুমান পাৰ্থক্য দেখা যায়।

মানুহে তিনিবিধ পৰিবেশৰ লগত নিজকে খাপ খুৱাব লাগে; যেনে— ভৌগোলিক পৰিবেশ, সামাজিক পৰিবেশ আৰু অলৌকিক পৰিবেশ। ভৌগোলিক পৰিবেশ শব্দৰ অৰ্থৰ পৰিধি বিশাল। মাটিৰ গুণ, স্থানৰ উচ্চতা জলবায়ু ভৌগোলিক পৰিবেশৰ অন্তৰ্গত।

আদিম অৱস্থাৰ পৰাই মানুহে সমাজ পাতি বাস কৰি আহিছে। মানৱ সভ্যতাৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণৰ সমাজ ব্যৱস্থা আছিল। আহাৰ সংগ্ৰহকাৰী অৱস্থাত মানুহে সৰু সৰু দল বান্ধি বাস কৰি চিকাৰ কৰি ফুৰিছিল। বলী আৰু পাকৈত চিকাৰীজন দলৰ দলপতি আছিল আৰু তেওঁৰ নিৰ্দেশ দলৰ আনবোৰে মানি চলিছিল। তেওঁৰ আচৰণৰ মাজেৰে সেই দলৰ সংস্কৃতি প্ৰকাশ পায়। এয়ে সামাজিক পৰিবেশ।

আদিম অৱস্থাত মানুহে বৰষুণ কিয় দিয়ে, মেঘে কিয় গৰজে, বজ্ৰপাত কিয় হয় ইত্যাদি সম্বন্ধে সম্পূৰ্ণ অজ্ঞান আছিল। তেওঁলোকে এই প্ৰাকৃতিক দুৰ্যোগবোৰ কোনোবা অদৃশ্য দেৱতাৰ দ্বাৰা হৈছিল বুলি মনতে ভাবিছিল আৰু ইয়াৰ পৰা অমঙ্গল হোৱাৰ ভয়ত পূজা-পাতাল কৰিছিল। আদিম মানুহে বিশ্বাস কৰিছিল যে পূজা-পাতাল কৰিলে দেৱতাই তেওঁলোকৰ সমাজৰ কোনো অনিষ্ট কৰিব নোৱাৰে। এইদৰে তেওঁলোকে অলৌকিক পৰিবেশৰ সৃষ্টি কৰিছিল।

মানুহৰ মুখ্য প্ৰয়োজনীয় বস্তু হৈছে আহাৰ, পানী, সাজপাৰ আৰু ঘৰ। এইবোৰ মানুহে ভৌগোলিক পৰিবেশৰ পৰা আহৰণ কৰি লব লাগিব। উদাহৰণ স্বৰূপে—এস্কিম' বিলাক যেক দেশত বাস কৰে। তাত চাৰিওফালে বৰফ— খেতি-বাতি নহয়। গতিকে এস্কিমো সকলে জীৱন ধাৰণৰ বাবে সেই পৰিবেশৰ লগত খাপ খুৱাই লব লাগে। বৰফৰ ওপৰত চলিবলৈ চকাবিহীন কুকুৰে টনা গাড়ীৰ ব্যৱহাৰ তেওঁলোকৰ অতি শীত প্ৰধান বৰফময় পৰিবেশৰ দাবীতে সৃষ্টি হোৱা বুলি কব পাৰি। কাৰণ বৰফৰ ওপৰত চকাবিশিষ্ট গাড়ী চলাব নোৱাৰি। জন্তুৰ চামৰাৰ সাজ-পাৰ, বৰফেৰে তৈয়াৰী ঘৰ আদি সাংস্কৃতিক উপাদানবোৰ তেওঁলোকে পৰিবেশৰ পৰাই আহৰণ কৰে। গতিকে তেওঁলোকৰ সংস্কৃতিত পৰিবেশে প্ৰভাৱ পেলোৱা নাই জানো? আমাৰ দাঁতি কাষৰীয়া পাহাৰীয়া জনজাতিসকলে বোকোচাত বোজা কঢ়িয়ায়। কাৰণ গধুৰ ওজনৰ বোজা বোকোচাত লৈ পাহাৰ বগাবলৈ সহজ। আনহাতে ভৈয়ামৰ মানুহে কান্ধমাৰিত ভাৰ বান্ধি বোজা কঢ়িয়ায়। অসমকে লৈ সমগ্ৰ উত্তৰ-পূব অঞ্চলত মানুহে বাঁহ, কাঠ, খেৰ আদিৰে ঘৰ সাজে। আনহাতে বিহাৰ আদি কিছুমান কম বৰষুণ হোৱা অঞ্চলৰ মানুহে মাটিৰে ঘৰ সাজে। কাৰণ তাত কম বৰষুণ হোৱা বাবে বনজ সম্পদৰ অভাৱ।